# 2020

## ASSAMESE

( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) *A Course in Modern Linguistics* শীৰ্ষক গ্ৰন্থখনৰ লেখক কোন?

(খ) লেটিন ভাষাত 'lingua' শব্দৰ অৰ্থ কি?

(গ) ভাষাবিজ্ঞানৰ কোনটো শাখাক কালক্ৰমিক ভাষাবিজ্ঞান (Diachromic linguistics)ৰ সৈতে বিজাব পাৰি?

(ঘ) ধ্বনিবিজ্ঞানৰ প্ৰধান ভাগ কেইটা?

(ঙ) সংস্কৃত 'মৃগ' শব্দই প্ৰথমতে সকলো পশুকে বুজাইছিল যদিও পাছলৈ এবিধ বিশেষ পশু হৰিণক বুজাবলৈ ধৰিলে—শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰাত এই পৰিৱৰ্তনক কি বুলি কোৱা হয়?

(চ) ভাষাৰ আটাইতকৈ বৃহৎ উপাদানবিধ কি?

(ছ) "Assamese may be divided dialectically into Eastern Assamese and Western Assamese." কোনগৰাকী ভাষাবিদে এই মন্তব্য আগবঢ়াইছিল?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) তুলনামূলক আৰু বিৰোধমূলক ভাষাবিজ্ঞানৰ দুটা পাৰ্থক্য লিখা।

(খ) ধ্বনিৰ পৰিপূৰক প্ৰয়োগ (complementary distribution) বুলিলে কি বুজা?

(গ) বাক্যত পদৰ অৰ্থগত যোগ্যতা বিচাৰ কৰা।

(ঘ) ভাষাৰ দ্বি-পাৰ্শ্বিকতা (diglossia) কি?

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) এককালিক ভাষাবিজ্ঞান (Synchronic linguistics)

(খ) যান্ত্ৰিক ধ্বনিবিজ্ঞান (Instrumental linguistics)

(গ) পিজিন (pidgin) আৰু ক্ৰেওল (Creole)

(ঘ) আকৃতি আৰু প্ৰাকৃতি

(ঙ) শব্দৰ আলংকাৰিক প্ৰয়োগ





৪। (ক) ধ্বনিৰ উচ্চাৰণত বাগিন্দ্ৰিয়ৰ ভূমিকা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) প্ৰাকৃতিগত বৰ্ণ পৰিৱৰ্তন (Morphophonemic alteration) বুলিলে কি বুজা? অসমীয়া ভাষাত এনে পৰিৱৰ্তনৰ উদাহৰণ দাঙি ধৰা। ৫+৫=১০

৫। (ক) ভাষাবিজ্ঞানক বিজ্ঞান আখ্যা দিয়াৰ যুক্তিযুক্ততা বিচাৰ কৰি ইয়াৰ শাখা বিভাজন সম্পৰ্কে আলোচনা কৰা। ৫+৫=১০

*অথবা*

(খ) শব্দাৰ্থ বিজ্ঞান কাক বোলে? শব্দৰ অৰ্থ পৰিৱৰ্তনৰ কাৰণসমূহ উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

৬। (ক) বাক্যতত্ত্ব (syntax) বুলিলে কি বুজা? বাক্যৰ গঠনত আসত্তি বিচাৰৰ (Immediate constituent analysis) গুৰুত্ব খৰচি মাৰি আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) সামাজিক স্তৰভেদে ভাষাৰ ভিন্নতা কেনেধৰণৰ হ'ব পাৰে, উদাহৰণসহ আলোচনা কৰা। ১০

★★★